**16-01-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

মৰমৰ সন্তানসকল – **"তোমালোকে যিয়েই কৰ্ম কৰা তাৰ ফল অৱশ্যে পোৱা যায়, নিষ্কাম সেৱাতো কেৱল একমাত্ৰ পিতাইহে কৰে"**

প্ৰশ্ন: এই পাঠশালা বৰ আচৰিত, কেনেকৈ? ইয়াত কোনটো মুখ্য পৰিশ্ৰম কৰিব লাগে?

উত্তৰ: এইখনেই একমাত্ৰ পাঠশালা য'ত সৰু শিশুও বহি আছে, বৃদ্ধও বহি আছে। এই পাঠশালা এনেকুৱা আচৰিত য'ত অহল্যা, কুঁজী, সাধুও আহি এদিন ইয়াত বহিব। ইয়াত মুখ্য হয়েই স্মৃতিত থকাৰ পৰিশ্ৰম। স্মৃতিৰ দ্বাৰাহে আত্মা আৰু শৰীৰৰ প্ৰাকৃতিক চিকিৎসা হয় কিন্তু স্মৃতিত থকাৰ কাৰণেও জ্ঞানৰ দৰকাৰ।

গীত: ৰাত কে ৰাহী থক্ মত্ জানা… (নিশাৰ পথিক ক্লান্ত হৈ নাযাবা…)

ওঁম্ শান্তি। অতি মৰমৰ সন্তানসকলে গীতটি শুনিলা। আত্মিক পিতাই সন্তানসকলক ইয়াৰ অৰ্থও বুজায়। আচৰিত কথাতো এয়া যে গীতা অথবা শাস্ত্ৰ আদি ৰচনা কৰাসকলে ইয়াৰ অৰ্থ নাজানে। প্ৰতিটো কথাৰে অনৰ্থহে উলিয়ায়। আত্মিক পিতা যিজন জ্ঞানৰ সাগৰ পতিত-পাৱন হয়, তেওঁ বহি ইয়াৰ অৰ্থ শুনায়। ৰাজযোগো পিতায়ে শিকায়। তোমালোক সন্তানসকলে জানা – এতিয়া পুনৰাই ৰজাৰো ৰজা হৈ আছোঁ, অন্য স্কুলবোৰত এনেকৈ ক'ব জানো যে আমি পুনৰ বেৰিষ্টাৰ হওঁ। 'পুনৰাই', এই শব্দটি কোনেও ক'বলৈ নাজানিব। তোমালোকে কোৱা – আমি 5 হাজাৰ বছৰ পূৰ্বৰ দৰে পুনৰাই বেহদৰ পিতাৰ পৰা পঢ়োঁ। এই বিনাশো পুনৰাই নিশ্চয় হ'বই। কিমান ডাঙৰ ডাঙৰ বোমা তৈয়াৰ কৰি থাকে। বহুত শক্তিশালী তৈয়াৰ কৰে। থৈ দিবলৈতো তৈয়াৰ নকৰে নহয়। এই বিনাশো শুভ কাৰ্যৰ বাবে হয় নহয়। তোমালোক সন্তানসকলে ভয় কৰাৰ কোনো দৰকাৰ নাই। এয়া হ'ল কল্যাণকাৰী যুদ্ধ। পিতা আহেই কল্যাণৰ বাবে। কয়ো, পিতা আহি ব্ৰহ্মাৰ দ্বাৰা স্থাপনা, শংকৰৰ দ্বাৰা বিনাশৰ কৰ্তব্য কৰায়। সেয়েহে এয়া বোমা আদি হয়েই বিনাশৰ বাবে। ইয়াতকৈ বেছি আন কোনো বস্তুতো নাই। তাৰ লগে লগে প্ৰাকৃতিক দুৰ্যোগো হয়। তাক কোনো ঈশ্বৰীয় দুৰ্যোগ বুলি নকয়। এই প্ৰাকৃতিক বিপদ-আপদবোৰ ড্ৰামাত নিৰ্ধাৰিত হৈ আছে। এয়া কোনো নতুন কথা নহয়। কিমান ডাঙৰ ডাঙৰ বোমা তৈয়াৰ কৰি থাকে। তেওঁলোকে কয় – আমি চহৰৰ পাছত চহৰ নিঃশেষ কৰি দিম। এতিয়া জাপানৰ যুদ্ধত যি বোমা পেলালে – এয়াতো বহুত সৰু। এতিয়াতো ডাঙৰ ডাঙৰ বোমা তৈয়াৰ কৰিছে। যেতিয়া বেছি সমস্যাত পৰে, সহ্য কৰিব নোৱাৰে তেতিয়া বোমা বৰ্ষণ কৰা আৰম্ভ কৰি দিয়ে। কিমান লোকচান হ'ব। সেয়াও পৰীক্ষা কৰি চাই আছে। আৰবৰ (এশ কোটিত এক আৰব) হিচাপত পইচা খৰচ কৰে। এয়া তৈয়াৰ কৰোঁতাসকলৰ দৰমহাও বহুত। গতিকে তোমালোক সন্তানসকল আনন্দিত হোৱা উচিত। পুৰণি সৃষ্টিৰহে বিনাশ হ'ব। তোমালোক সন্তানসকলে নতুন সৃষ্টিৰ বাবে পুৰুষাৰ্থ কৰি আছা। বিবেকেও কয়, পুৰণি সৃষ্টি নিশ্চয় নাশ হ'ব। সন্তানসকলে বুজি পায় – কলিযুগত কি আছে, সত্যযুগত কি থাকিব। তোমালোক এতিয়া সংগমত থিয় হৈ আছা। জানা যে সত্যযুগত ইমান মনুষ্য নাথাকিব, সেয়েহে এই সকলোৰে বিনাশ হ'ব। এই প্ৰাকৃতিক দুৰ্যোগ কল্প পূৰ্বেও হৈছিল। পুৰণি সৃষ্টি নাশ হ'বই। এনেকুৱা দুৰ্যোগতো বহুত হৈ আহিছে। কিন্তু সেয়া কম পৰিসৰত হয়। এতিয়াতো এই পুৰণি সৃষ্টি সকলো নাশ হ'ব। তোমালোক সন্তানসকলতো বহুত আনন্দিত হোৱা উচিত। আমাক আত্মিক সন্তানসকলক পৰমপিতা পৰমাত্মা পিতাই বহি বুজায়, এই বিনাশ তোমালোকৰ বাবে হৈ আছে। এয়াও গায়ন আছে – ৰুদ্ৰ জ্ঞান যজ্ঞৰ দ্বাৰা বিনাশ জ্বালা প্ৰজ্বলিত হ'ল। বহুত কথা গীতাত আছে যাৰ অৰ্থ বহুত ভাল, কিন্তু কোনোবাই জানো বুজি পায়। তেওঁলোকে শান্তি বিচাৰি থাকে। তোমালোকে কোৱা – সোনকালে বিনাশ হওক তেতিয়া আমি গৈ সুখী হ'ম। পিতাই কয় - সুখী তেতিয়া হ'বা যেতিয়া সতোপ্ৰধান হ'বা। পিতাই অনেক প্ৰকাৰৰ সাৰ কথা শুনায় পাছত কাৰোবাৰ বুদ্ধিত ভালদৰে ধাৰণ হয়, কাৰোবাৰ বুদ্ধিত কম। বুঢ়ীসকলে বুজি পায়, শিৱবাবাক স্মৰণ কৰিব লাগে, বচ্। তেওঁলোকৰ বাবে বুজোৱা হয় – নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰা। তথাপিও উত্তৰাধিকাৰতো পাই যায়। লগত থাকে। প্ৰদৰ্শনীলৈ সকলো আহিব। অজামিলৰ নিচিনা পাপ আত্মা, গণিকা আদি সকলোৰে উদ্ধাৰ হ'ব। মেটৰসকলেও ভাল কাপোৰ পিন্ধি আহি যায়। গান্ধীজীয়ে অস্পৃশ্যসকলক মুক্ত কৰি দিলে। একেলগে খায়ো। পিতাইতো আৰুৰে মানা নকৰে। বুজি পায়, এওঁলোকৰো উদ্ধাৰ কৰিবই লাগিব। কামৰ লগত কোনো সম্পৰ্ক নাই। ইয়াত পিতাৰ লগত বুদ্ধিৰ যোগসূত্ৰ গঢ়ি তোলাৰ ওপৰতে সকলো নিৰ্ভৰ কৰে। আত্মাই কয় – মই অস্পৃশ্য। এতিয়া আমি বুজি পাওঁ – আমি সতোপ্ৰধান দেৱী-দেৱতা আছিলোঁ। পাছত পুনৰ্জন্ম লৈ লৈ অন্তত আহি পতিত হৈছোঁ। এতিয়া পুনৰ মই আত্মা পাৱন হ'ব লাগে। তোমালোকে জানা – সিন্ধুত এজনী নীচ সম্প্ৰদায়ৰ মহিলা আহিছিল, ধ্যানত গৈছিল। দৌৰি আহি লগ কৰিছিল। বুজোৱা হৈছিল – এওঁৰতো আত্মা আছে নহয়। নিজৰ পিতাৰ পৰা উত্তৰাধিকাৰ লোৱাৰ আত্মাৰ অধিকাৰ আছে। তেওঁৰ ঘৰৰ লোকসকলক কোৱা হ'ল – এওঁক জ্ঞান ল'বলৈ দিয়ক। তেওঁলোকে ক'লে

– আমাৰ সম্প্ৰদায়ত কাজিয়া হ’ব। ভয়তে তেওঁক লৈ গ’ল। গতিকে তোমালোকৰ ওচৰলৈ আহিলে, তোমালোকে কাকো বাধা দিব নোৱাৰা। গায়ন আছে অবলা, গণিকা, নীচ সম্প্ৰদায়ৰ, সাধু আদি সকলোৰে উদ্ধাৰ কৰে। সাধুৰ পৰা নীচ সম্প্ৰদায়লৈকে।

তোমালোক সন্তানসকলে এতিয়া যজ্ঞৰ সেৱা কৰা সেয়েহে এই সেৱাৰ দ্বাৰা বহুত প্ৰাপ্তি হয়। বহুতৰে কল্যাণ হৈ যায়। দিনে-প্ৰতিদিনে প্ৰদৰ্শনী সেৱাৰ বহুত বৃদ্ধি হ’ব। বাবাই বেজো তৈয়াৰ কৰাই থাকে। য’তেই যোৱা ইয়াৰ ওপৰত বুজাব লাগে। এয়া বাবা, এয়া দাদা, এয়া পিতাৰ উত্তৰাধিকাৰ। এতিয়া পিতাই কয় – মোক স্মৰণ কৰা তেতিয়া তোমালোক পাৱন হৈ যাবা। গীতাতো আছে – মামেকম্ স্মৰণ কৰা। কেৱল তাত (গীতাত) মোৰ নাম গুচাই সন্তানৰ নাম দি দিছে। ভাৰতবাসীয়েও এইটো নাজানে যে ৰাধা-কৃষ্ণৰ পৰস্পৰ কি সম্বন্ধ। তেওঁলোকৰ বিবাহ আদিৰ ইতিহাস একোৱেই নকয়। দুয়ো বেলেগ বেলেগ ৰাজধানীৰ আছিল। এই কথাবোৰ পিতাই বহি বুজায়। এয়া যদি বুজি পাই যায় আৰু কৈ দিয়ে যে শিৱ ভগৱানুবাচ, তেতিয়া সকলোৱে তেওঁক আঁতৰাই দিব। ক’ব – আপুনি আকৌ এয়া ক’ৰপৰা শিকিলে? সেইজন কেনেকুৱা গুৰু? যদি ব্ৰহ্মাকুমাৰ-কুমাৰী বুলি কয় তেতিয়া সকলো বিতুষ্ট হৈ যাব। এই গুৰুসকলৰ ৰাজত্বই উফৰি যাব। এনেকুৱা বহুত আহে। লিখিও দিয়ে, তাৰ পাছত নোহোৱা হৈ যায়।

পিতাই সন্তানসকলক কোনো কষ্ট নিদিয়ে। বহুত সহজ যুক্তি শুনায়। কাৰোবাৰ সন্তান নহ’লে তেতিয়া ভগৱানক কয় – সন্তান দিয়া। তাৰপাছত লাভ কৰিলে সন্তানৰ বহুত ভালদৰে লালন-পালন কৰে। পঢ়ায়। পাছত যেতিয়া ডাঙৰ হ’ব তেতিয়া ক’ব এতিয়া নিজৰ কাম-কাজ কৰা। পিতাই সন্তানসকলৰ লালন-পালন কৰি তেওঁলোকক যোগ্য কৰি তোলে তেন্তে সন্তানসকলৰ সেৱক হ’ল নহয়। এই পিতাইতো সন্তানসকলৰ সেৱা কৰি লগত লৈ যায়। সেই লৌকিক পিতাই ভাবিব সন্তান ডাঙৰ হৈ নিজৰ কামত লাগি যাব পাছত যেতিয়া আমি বুঢ়া হ’ম তেতিয়া আমাৰ সেৱা কৰিব। এই পিতাইতো সেৱা নিবিচাৰে। এওঁ হয়েই নিষ্কাম। লৌকিক পিতাই ভাবে – যেতিয়ালৈ জীয়াই থাকিম তেতিয়ালৈ আমাক চোৱা-চিতা কৰাতো সন্তানসকলৰ কৰ্তব্য। এইটো কামনা ৰাখে। এই পিতাইতো কয় – মই নিষ্কাম সেৱা কৰোঁ। মই ৰাজত্ব নকৰোঁ। মই কিমান নিষ্কাম। অন্যই যি কিছু কৰে তাৰ ফল তেওঁলোকে নিশ্চয় পায়। এওঁতো হ’ল সকলোৰে পিতা। তেওঁ কয় – মই তোমালোক সন্তানসকলক স্বৰ্গৰ ৰাজ্য-ভাগ্য দিওঁ। তোমালোকে কিমান উচ্চ পদ প্ৰাপ্ত কৰা। মইতো কেৱল ব্ৰহ্মাণ্ডৰ মালিক, সেয়াতো তোমালোকো হোৱা কিন্তু তোমালোকে ৰাজ্য-ভাগ্য লোৱা আৰু হেৰুওৱা। মই ৰাজ্য-ভাগ্য নলওঁ, নেহেৰুৱাও। ড্ৰামাত মোৰ এয়াই ভূমিকা। তোমালোক সন্তানসকলে সুখৰ উত্তৰাধিকাৰ পোৱাৰ পুৰুষাৰ্থ কৰা। বাকী সকলোৱে কেৱল শান্তি বিচাৰে। সেই গুৰুসকলে কয় – সুখ কাউৰীৰ বিষ্ঠা সম। সেইবাবে তেওঁলোকে শান্তিয়ে বিচাৰে। তেওঁলোকে এই জ্ঞান ল’ব নোৱাৰে। তেওঁলোকে সুখৰ কথা নাজানেই। পিতাই বুজায় – শান্তি আৰু সুখৰ উত্তৰাধিকাৰ দিওঁতা মই হওঁ। সত্যযুগ-ত্ৰেতাত গুৰু নাথাকে, তাত ৰাৱণেই নাই। সেয়া হয়েই ঈশ্বৰীয় ৰাজ্য। এয়া ড্ৰামা ৰচি থোৱা আছে। এই কথাবোৰ আন কাৰো বুদ্ধিত ধাৰণ নহ’বই। সেয়েহে সন্তানসকলে ভালদৰে ধাৰণ কৰি উচ্চ পদ পাব লাগে। এতিয়া তোমালোক সংগমত আছা। জানা যে নতুন সৃষ্টিৰ ৰাজধানী স্থাপন হৈ আছে। গতিকে তোমালোক আছাই সংগমযুগত। বাকী সকলো কলিযুগত আছে। তেওঁলোকেতো কল্পৰ আয়ুসেই লাখ লাখ বছৰ বুলি কৈ দিয়ে। ঘোৰ অন্ধকাৰত আছে নহয়। গায়নো কৰা আছে কুম্ভকৰ্ণৰ নিদ্ৰাত শুই আছে। বিজয়তো পাণ্ডৱসকলৰ গায়ন কৰা হৈছে।

তোমালোক হৈছা ব্ৰাহ্মণ। যজ্ঞ ব্ৰাহ্মণেহে ৰচে। এয়াতো হ’ল সকলোতকৈ ডাঙৰ বেহদৰ বিশাল ঈশ্বৰীয় ৰুদ্ৰ যজ্ঞ। সেই হদৰ যজ্ঞ অনেক প্ৰকাৰৰ। এই ৰুদ্ৰ যজ্ঞ এবাৰেই হয়। সত্যযুগ-ত্ৰেতাত আকৌ কোনো যজ্ঞ নহয় কিয়নো তাত কোনো আপদ আদিৰ কথাই নাই। সেয়া সকলো হ’ল হদৰ যজ্ঞ। এয়া হৈছে বেহদৰ। এয়া বেহদৰ পিতাই ৰচনা কৰা যজ্ঞ, য’ত বেহদৰ আহুতি হ’ব। পাছত আধাকল্প কোনো যজ্ঞ নহ’ব। তাত ৰাৱণৰাজ্যই নাই। ৰাৱণৰ ৰাজ্য আৰম্ভ হোৱা বাবে আকৌ এই সকলোবোৰ আৰম্ভ হয়। বেহদৰ যজ্ঞ এবাৰেই হয়, ইয়াত এই গোটেই সৃষ্টি স্বাহা হৈ যায়। এয়া হ’ল বেহদৰ ৰুদ্ৰ জ্ঞান যজ্ঞ। ইয়াত মুখ্য হ’ল জ্ঞান আৰু যোগৰ কথা। যোগ অৰ্থাৎ স্মৃতি। স্মৃতি শব্দটি বহুত মিঠা। যোগ শব্দটি সাধাৰণ হৈ গৈছে। যোগৰ অৰ্থ কোনেও বুজি নাপায়। তোমালোকে বুজাব পাৰা - যোগ অৰ্থাৎ পিতাক স্মৰণ কৰিব লাগে। বাবা, আপুনিতো আমাক বেহদৰ উত্তৰাধিকাৰ দিয়ে। আত্মাই কথা পাতে – বাবা, আপুনি পুনৰাই আহিছে। আমিতো আপোনাক পাহৰি গৈছিলোঁ। আপুনি আমাক বাদশ্বাহী দিছিল। এতিয়া পুনৰ আহি মিলিত হৈছে। আপোনাৰ শ্ৰীমতত আমি নিশ্চয় চলিম। এনেকৈ ভিতৰি নিজৰ লগত কথা পাতিবলগীয়া হয়। বাবা, আপুনিতো আমাক বহুত ভাল ৰাস্তা দেখুৱায়। আমি কল্পই কল্পই পাহৰি যাওঁ। এতিয়া পিতাই পুনৰ অভুল কৰি তোলে সেইবাবে এতিয়া পিতাকহে স্মৰণ কৰিব লাগে। স্মৃতিৰেহে উত্তৰাধিকাৰ পাবা। মই যেতিয়া সন্মুখত আহোঁ তেতিয়া তোমালোকক বুজাওঁ। তেতিয়ালৈকে গায়ন কৰি

থাকে – তুমি দুখ হৰ্তা, সুখ কৰ্তা। মহিমা গায় কিন্তু আত্মাকো নাজানে, পৰমাত্মাকো নাজানে। এতিয়া তোমালোকে বুজি পোৱা – ইমান সূক্ষ্ম বিন্দুত অবিনাশী ভূমিকা নিহিত হৈ আছে। এয়াও পিতাই বুজায়। এওঁক কোৱা হয় পৰমপিতা পৰমাত্মা অৰ্থাৎ পৰম আত্মা। বাকী কোনো ডাঙৰ হাজাৰ হাজাৰ সূৰ্যৰ নিচিনা নহওঁ। মইতো শিক্ষকৰ নিচিনাকৈ পঢ়াওঁ। কিমান অনেক সন্তান আছে। এইখন পাঠশালাতো চোৱা কিমান আচৰিত। কোনে কোনে ইয়াত পঢ়ে? অৱলা, কুঁজা, সাধুসকলেও এদিন আহি বহিব। বুঢ়ী, শিশু আদি সকলো বহি আছে। এনেকুৱা স্কুল কেতিয়াবা দেখিছানে! ইয়াতে হ'ল স্মৃতিত থকাৰ পৰিশ্ৰম। এই স্মৃতিত থকাটোৱেই সময় লয়। স্মৃতিত থকাৰ পুৰুষাৰ্থ কৰা এয়াও জ্ঞান হয় নহয়। স্মৃতিত থকাৰ বাবেও জ্ঞান। চক্ৰ বুজাবলৈও জ্ঞান। সঁচা প্ৰাকৃতিক চিকিৎসা ইয়াকে কোৱা হয়। তোমালোক আত্মা একেবাৰে শুদ্ধ হৈ যোৱা। সেয়া হ'ল শৰীৰৰ চিকিৎসা। এয়া হ'ল আত্মাৰ চিকিৎসা। আত্মাতে খাদ (বিকাৰৰ লেপ) পৰে। খাটি সোণৰ সঁচা অলংকাৰ হয়। এতিয়া ইয়াত সন্তানসকলে জানে শিৱবাবা সন্মুখত আহিছে। সন্তানসকলে পিতাক নিশ্চয় স্মৰণ কৰিব লাগে। এতিয়া আমি উভটি যাব লাগে। ইপাৰৰ পৰা সিপাৰলৈ যাব লাগে। পিতাক, উত্তৰাধিকাৰক আৰু ঘৰকো স্মৰণ কৰা। সেইখন হ'ল মৰমৰ শান্তিৰ ঘৰ। দুখ হয় অশান্তিৰ পৰা, সুখ হয় শান্তিৰ পৰা। সত্যযুগত সুখ-শান্তি-সম্পত্তি সকলো আছে। তাত হাই-কাজিয়াৰ কথাই নাই। সন্তানসকলৰ এইটোৱে চিন্তা থকা উচিত যে আমি সতোপ্ৰধান, খাটি সোণ হ'ব লাগে, তেতিয়াহে উচ্চ পদ পাম। এয়া আত্মিক আহাৰ পোৱা যায়, সেয়া আকৌ মন্থন কৰিব লাগে। আজি কোনটো কোনটো মুখ্য সাৰ কথা শুনিলোঁ! এয়াও বুজাইছোঁ, যাত্ৰা দুই প্ৰকাৰৰ – আত্মিক আৰু পাৰ্থিৱ (দৈহিক)। এই আত্মিক যাত্ৰাহে কামত আহিব। ভগৱানুবাচ – মনমনাভৱ। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) এই বিনাশো শুভ কাৰ্যৰ বাবে সেইবাবে ভয় খাব নালাগে, কল্যাণকাৰী পিতাই সদায় কল্যাণৰ কাৰ্যহি কৰায়, এইটো স্মৃতিৰে সদায় আনন্দিত হৈ থাকিব লাগে।

(2) সদায় এটাই চিন্তা ৰাখিব লাগে যে সতোপ্ৰধান খাটি সোণ হৈ উচ্চ পদ ল'ব লাগে। যি আত্মিক ভোজন পোৱা যায় সেয়া মন্থন কৰিব লাগে।

বৰদান: নিজক দ্বায়িত্বশীল বুলি বুজি প্ৰতিটো কৰ্ম যথাৰ্থ বিধিৰে কৰোঁতা সম্পূৰ্ণ সিদ্ধি স্বৰূপ হোৱা

এই সময়ত তোমালোক সংগমযুগী শ্ৰেষ্ঠ আত্মাসকলৰ প্ৰতিটো শ্ৰেষ্ঠ কৰ্ম গোটেই কল্পৰ বাবে বিধান হৈ আছে। গতিকে নিজক বিধানৰ ৰচিয়তা বুলি বুজি প্ৰতিটো কৰ্ম কৰা, তেতিয়া অমনোযোগিতা স্বতঃ সমাপ্ত হৈ যাব। সংগমযুগত মই বিধানৰ ৰচিয়তা, দ্বায়িত্বশীল আত্মা হওঁ - এইটো নিশ্চয়তাৰে প্ৰতিটো কৰ্ম কৰা তেতিয়া যথাৰ্থ বিধিৰে কৰা কৰ্মৰ সম্পূৰ্ণ সিদ্ধি অৱশ্যে প্ৰাপ্ত হ'ব।

শ্লোগান: সৰ্বশক্তিমান পিতা লগত থাকিলে মায়া কাগজৰ বাঘ হৈ যাব।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: এই অব্যক্ত মাহত বন্ধনমুক্ত হৈ থাকি জীৱনমুক্ত স্থিতিৰ অনুভৱ কৰা

সদায় জীৱন-মুক্ত হৈ থকাৰ সহজ সাধন হৈছে- 'মই' আৰু 'মোৰ বাবা'! কিয়নো 'মোৰ' 'মোৰ'ৰে বন্ধন আছে। মোৰ বাবা হৈ গ'ল গতিকে মোৰ সকলো সমাপ্ত হৈ গ'ল। যিহেতু 'এক মোৰ' ত 'সকলো মোৰ' সমাপ্ত হৈ গ'ল, তেন্তে বন্ধন মুক্ত হৈ গ'লা। সেয়েহে এইটোৱে স্মৃতিত ৰাখিবা যে মই ব্ৰাহ্মণ জীৱন-মুক্ত আত্মা।